
# প্ৰত্যয়

স্মৃতিগ্ৰন্থ ঃ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়

বকো ঃ কামৰূপ ঃ অসম

২০২৩-২৪ ইংৰাজী বৰ্ষ



**PRAGNABHA** : A souvenir of the Diamond Jubilee Celebration, Jawaharlal Nehru College, Boko, Kamrup, Assam, edited by Dr. Dipankar Sarma and published by Dr. Tapan Dutta, General Secretary, Diamond Jubilee Celebration Committee.

Date of Publication : 7 th November, 2024

© Jawaharlal Nehru College, Boko

ISBN : 978-81-979670-4-7

Editorial Board : ADVISER
Dr. L.C. Rabha
Dr. Khirod Kr. Thakuria
CHAIRMAN
Dr. Tapan Dutta
CHIEF EDITOR
Dr. Dipankar Sarma
EDITORS
Mrs. Manjira Sarma
Dr. Alimpa Bhuyan Baruah
Gayatri Khargharia
Bapukan Saikia

MEMBERS
Ansuma Kh. Bodosa
Dr. Habibur Rahman
Mrs. Ratnamala Sarma
Miss. Bhairabi Baro
Mr. Bashistha Dev Sarma

Cover Page Design : Editorial Board

Price: ₹ 500/-

Printed at : Maliyata Offset Press, Mirza

|| Nanomaterials: with special reference to Polyaniline – a Conducting Polymer/২৩০ — Dr. N Ahmed
|| কাঠফুলাৰ খেতিৰ আঁৰৰ বিজ্ঞান /২৩৭ — পিনাকী কুমাৰ ৰাভা
|| অসমৰ জীৱ-বৈচিত্ৰ্য আৰু অস্থানীয় উদ্ভিদ /২৪০ — নীলাক্ষী ৰামছিয়াৰী
|| গ্ৰন্থ ঃ অধ্যয়ন আৰু নিৰ্বাচন /২৪৩ — ড° অনামিকা বৈশ্য
|| অসমীয়া সমাজৰ উত্থানত সত্ৰৰ ভূমিকা /২৪৬ — ড° ফণীন্দ্ৰ কলিতা
|| অসমত অসমীয়াৰ সৈতে উড়িয়া ভাষাৰ তুলনামূলক আৰু বিৰোধমূলক অধ্যয়ন /২৪৮ — ড° দিপ্সীৰাণী শৰ্মা
|| Online Learning MOOC /২৫২ — Dipanjali Kalita
|| Indian Economy in the 21st century /২৫৫ — Narendra Sarma
|| Shifting Cultivation: The Cultural Seed of Zeme Naga /২৫৮ — Mr. B.N. Kuizebe
|| Historical Dora Beel Wetland of South Kamrup: its Changes and its Impact on Environment /২৬৪ — Jitu Rajbongshi
|| Earthquake and its Impact on The North East Indian Region /২৭১ — Jiten Rabha
|| সৰ্বাত্মক শিক্ষা /২৭৪ — গীতাঞ্জলি কলিতা
|| অন্ধবিশ্বাস আৰু কু-সংস্কাৰ /২৭৭ — লিপিকা ডেকা
|| Tradition and Modernity: A Study of Culture in Conflict in Embracing a New Way of Life /২৭৯ — Popi Kalita
|| Political Participation of Women in Rural Politics with Special Reference to Assam /২৮৩ — Monalisa Nath
|| Urbanization Trends in Indian – An Analysis /২৮৯ — Pinky Gope
|| The Influence of Science Fiction: Inspiring Innovation and Shaping the Future /২৯৬ — Phanindra Prasad
|| অপব্যয় /৩০০ — পবিত্ৰ কৈৱৰ্ত
|| কৃষি শতিকাৰ সেউজ সন্ধানী ভূ সম্পদে চহকী এখন মহাবিদ্যালয়ৰ কথা /৩০৩ — প্ৰাঞ্জল শইকীয়া
|| লৌকিক দেৱতা হিচাপে শিৱ, শৈৱ ধৰ্ম আৰু দক্ষিণ কামৰূপত ইয়াৰ প্ৰভাৱ ঃ এক অধ্যয়ন/৩০৬ — ড° দিগন্ত কুমাৰ দাস
|| আমাৰ আবেগৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয় /৩১০ — হিয়াহিতুক দাস
|| জানিবলৈ, আমাৰো আৰু কিবা আছে চাগে! /৩১১ — নন্দেশ্বৰ দৈমাৰী
|| ईशोरा मोजाङै लाखिथों /३१४ — अनिमा बसुमतारि
|| साहित्य अकादेमि बान्था मोनगिरि प्रमिला नार्जारि आरो बिनि माखासे स्केट्स /३१९ — ड॰ मंगलसिं हाजवारि
|| असमीया थुनलाइयाव बर'फोरनि बिहोमा /३२५ — भैरबी बर'
|| अदालपारा गामिनि बर'फोरनि दोरोडारि सुबुं फाहामथाइ (Traditional folk cures of the Bodos of the Odalpara village) /৩২৮ — अनसुमा खुंगुर बड'सा
|| बक' ओनसोलनि बर' रावसा /৩৩১ — ड. तनु मोसाहारी
| बर'नि सल'बाथायाव सुबुं सांग्रांथि: मोनसे नोजोर /৩৩৬ — जयद्रेब बर'
| बर'आव दावबायनाय थुनलाइ /৩৩৯ — रुमिता दैमारी

ISBN - 978-81-979670-4-7

# লৌকিক দেৱতা হিচাপে শিৱ, শৈৱ ধৰ্ম আৰু দক্ষিণ কামৰূপত ইয়াৰ প্ৰভাৱ ঃ এক অধ্যয়ন

ড° দিগন্ত কুমাৰ দাস

হিন্দু ধৰ্মৰ প্ৰধান শাখা সমূহৰ ভিতৰত শৈৱ ধৰ্ম অন্যতম প্ৰভাৱশালী শাখা। বেদ, পুৰাণ গ্ৰন্থত এই গৰাকী দেৱতাক শিৱ, মহেশ্বৰ, শম্ভু, ইশ, পশুপতি, শূলিন, ঈশান, শংকৰ, চন্দ্ৰশেখৰ, ভূতেশ, খণ্ডপৰশু, গিৰীশ, মৃড়, মৃত্যুঞ্জয়, কৃত্তিবাসয় পিণাকি, প্ৰথমাধিপ, উগ্ৰ, ব্যসম্ কৰ্পদিন, শ্ৰীকণ্ঠ, শিতিকণ্ঠ কপালভূত, মহাদেৱ, বামদেৱ, বিৰূপাক্ষ, ত্ৰিলোচন, ধুৰ্জটি, হৰ, ত্ৰ্যম্বক, ত্ৰিপুৰান্তক, গংগাধৰ, বৃষধ্বজ, ব্যোমকেশ, ভৱ ভীম, স্থানু, ৰুদ্ৰ, উমাপতি আদি বিভিন্ন নামেৰে পৰিচিত। অসমৰ লোক জীৱনত লোক সংস্কৃতি আৰু ঐতিহাসিক উভয় দৃষ্টিভংগীৰ পৰা শৈৱ ধৰ্ম এটা অতি গুৰুত্বপূৰ্ণ বিষয়।

ভাৰতবৰ্ষত ঐতিহাসিক ভাৱে শৈৱ ধৰ্মৰ প্ৰাচীন অস্তিত্ব মহেঞ্জোদাৰো আৰু হৰপ্পাৰ খনন কাৰ্যৰ জৰিয়তে গম পোৱা যায়। শৈৱ ধৰ্মৰ বহুতো দিশ ইতিহাসৰ বিভিন্ন সময়ত দেখিবলৈ পোৱা যায়। ভাৰতীয় হিন্দু সমাজত শাক্তৰ লগতে শৈৱ ধৰ্মৰো প্ৰাধান্যৰ কথা সহজে অনুমেয়। তিনিমুণ্ড যুক্ত ধ্যানমগ্ন আৰু লিংগৰ প্ৰতীকসমূহেই সৰ্বপ্ৰথম শিৱমূৰ্ত্তি। ঋগবেদত শিৱৰ উল্লেখ পোৱা নাযায় যদিও 'ৰুদ্ৰ' শব্দটিৰ বিভিন্ন স্থানত উল্লেখ পোৱা যায়। আনহাতে অথৰ্ববেদত ৰুদ্ৰ, শিৱ পশুপতি, মহাদেৱ আদিৰ নাম উল্লেখ পোৱা যায়।*(বৰ্মন, ২০১৩:৮)* শ্বেতাশ্বতৰোপনিষদে শিৱক ৰুদ্ৰৰ সমাৰ্থক বুলি গণ্য কৰিছে। ঠিক তেনেদৰে অথৰ্বশিৰ উপনিষদ, অথৰ্ব শিখোপনিষদ, কৈৱল্যোপনিষদ, গণপত্যুপনিষৎ, জাবল্যুপনিষৎ, দক্ষিণামুত্যুপনিষৎ, পঞ্চব্ৰহ্মোপনিষৎ আদি গ্ৰন্থসমূহতো ৰুদ্ৰ শিৱৰ ত্ৰকীৰণ কৰা হৈছে। পৰৱৰ্তী কালত ৰচিত শিৱ পুৰাতত্ত্ব শিৱ আৰু ৰুদ্ৰক অভিন্ন হিচাপেই প্ৰক্ষেপ কৰিছে।*(শৰ্মা দলৈ, ২০০৩ ঃ ৯-১০)*।

বিশিষ্ট লোক সংস্কৃতিবিদ ড০ নবীন চন্দ্ৰ শৰ্মাই শৈৱ ধৰ্ম সম্পৰ্কত কৰা মন্তব্যৰ পৰা এইটো স্পষ্টকৈ ক'ব পাৰি যে উক্ত ধৰ্ম বা ধাৰা সম্পূৰ্ণ ভাৰতবৰ্ষমূলীয়। তেখেতে লিখিছে- 'শিৱ প্ৰকৃতাৰ্থত লোক দেৱতা, জনজাতীয় দেৱতা, পৌৰাণিক দেৱতা, আনকি বৈদিক দেৱতা (ৰুদ্ৰ)। পণ্ডিত সকলৰ মতে আৰ্য্য আৰু অনাৰ্য্য সংস্কৃতিৰ সংমিশ্ৰণৰ — প্ৰতিভু হৈছে ৰুদ্ৰ-শিৱ। শিৱ আৰু শৈৱতত্ত্বৰ উপৰিও ইতিহাস আৰ্য-বৈদিক আৰু প্ৰাগাৰ্য ধৰ্ম আৰু সংস্কৃতিৰ সংমিশ্ৰণ মাথোন। আৰ্যপূৰ্ব শিৱ আৰু শিৱ তত্ত্বৰ আভাষ পোৱা যায় মহেঞ্জোদাৰো আৰু সিন্ধু সভ্যতাত।'*(শৰ্মা দলৈ, ২০১৩ ঃ ২৫৭)*

শৈৱ সম্পৰ্কীয় ধাৰণা অকল ভাৰততেই গঢ়ি উঠা বুলি ক'লে অৱশ্যে ভুল হ'ব। মূৰ্ত্তি আৰু প্ৰতীক ৰূপত শিৱক যি ধৰণে উপাসনা কৰা হয় সেই ধৰণে ইজিপ্তুতো অচিৰিচ নামে এক দেৱতাক উপাসনা কৰা হয়। এই সন্দৰ্ভত ড° নিৰ্মল প্ৰভা বৰদলৈয়ে লিখা নিম্নোক্ত কথাখিনি মন কৰিবলগীয়া। তেখেতে লিখিছে অচিৰিচৰ দৰে শিৱও ভয়ংকৰ দেৱতা। শিৱৰ বাহন যাঁড় গৰুক যিদৰে সন্মান কৰা হয় অচিৰিচৰ বাহন যাঁড় গৰুকো একেই সন্মান কৰা হয়। সৰ্প দুয়োৰে ভূষণ। শিৱৰ অস্ত্ৰ ত্ৰিশূল, অচিৰিচৰ লাঠী, ব্যাঘ্ৰ চৰ্ম দুয়োজনৰে আভৰণ। শিৱৰ প্ৰতীক যেনেকৈ শিলৰ অচিৰচৰো শিলৰ, অচিৰিচৰ প্ৰিয় গছ শিৱৰ বিল্ব গছৰ দৰে। হিন্দুৰ প্ৰিয় শিৱতীৰ্থ বাৰানসী অচিৰিচৰ প্ৰিয় তীৰ্থ মেমস্কই (ইজিপ্ত)। দুয়োজন দেৱতাৰে স্নানৰ কাৰণে দুগ্ধ ব্যৱহাৰ কৰা হয়। অচিৰিচক দিনে ষাঠি কলহ দুগ্ধেৰে স্নান কৰোৱা হৈছিল (ফিলে দ্বীপত)। পাৰ্থক্য মাত্ৰ এইখিনিতে যে শিৱক 'ৰজত বৰ্ণ বুলি